# **<u>গৌহাটী উচ্চ ন্যায়ালয়</u>**

(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

## **<u>লেখ আবেদন নং 55/2021</u>**

জেনেৰেল মেনেজাৰ, কনষ্ট্ৰাকচন আৰু আন এজন

(মহা প্ৰবন্ধক, নিৰ্মাণ আৰু আন এজন)

এন. এফ. ৰেলৱে, মালিগাঁও,

গুৱাহাটী-781011

2: চিফ্ ইঞ্জিনিয়াৰ, কনষ্ট্ৰাকচন-2

(মুখ্য অভিযন্তা, নিৰ্মাণ-2)

এন.এফ. ৰেলৱে মালিগাঁও

গুৱাহাটী- 781011

বনাম

মেছাৰ্চ বশিষ্ঠ কনষ্ট্ৰাকচন প্ৰাইভেট লিমিটেড

জেলিঝু (জেভি )( মেছাৰ্চ বশিষ্ঠ কনষ্ট্ৰাকচন প্ৰাইভেট লিমিটেড আৰু মেছাৰ্চ জেলিঝুৰ মাজত এক যৌথ উদ্যোগ ),

মালিকানাধীন প্ৰতিষ্ঠান ,

কাৰ্য্যালয়: ভৰালী ভৱন,দ্বিতীয় মহলা,

হোটেল বিলাসৰ সমীপত,

জি.এছ. ৰোড, উলুবাৰী,

গুৱাহাটী- 781007,

কামৰূপ (মেট্ৰ'), অসম

আবেদনকাৰীৰ অধিবক্তা : শ্ৰী  জি গোস্বামী

প্ৰতিবাদকাৰীৰ অধিবক্তা : শ্ৰী  আৰ ডুবে

## মহামান্য মুখ্য ন্যায়াধীশ আৰু  ন্যায়াধীশ শ্ৰীযুত পাৰ্থিৱ জ্যোতি শইকীয়াৰ খণ্ড বিচাৰপীঠ

তাৰিখ : 19-042023

[ শ্ৰীযুত সন্দীপ মেহতা, মুখ্য ন্যায়াধীশ ]

আবেদনকাৰী, জেনেৰেল মেনেজাৰ কনষ্ট্ৰাকচন, এন.এফ. ৰে'লৱে, মালিগাঁও, গুৱাহাটী আৰু আন এজনে 20.11.2020 তাৰিখে বিজ্ঞ একক ন্যায়াধীশে লোৱা সিদ্ধান্তৰ  বৈধতাক প্ৰত্যাহ্বান জনাই এই আন্তঃ-আদালতত আবেদন দাখিল কৰিছে। একক ন্যায়াধীশ গৰাকীয়ে প্ৰতিবাদীয়ে দাখিল কৰা লেখ আবেদন WP(C) 7454/2015 গ্ৰহণ কৰিছিল আৰু 12.05.2014 তাৰিখে জাৰী কৰা নিৰ্মাণ নিবিদা জাননী নং CON/2014/MAY/03-ৰ সঁহাৰি স্বৰূপে প্ৰতিবাদীয়ে দাখিল কৰা আৰ্নেষ্ট মানি ডিপ'জিট (ই এম ডি) জব্দ কৰাৰ আবেদনকাৰীসকলৰ সিদ্ধান্তক বাতিল কৰিছিল।

প্ৰতিবাদীয়ে মেছাৰ্ছ বশিষ্ঠ কনষ্ট্ৰাকচন প্ৰাইভেট লিমিটেডৰ সৈতে যৌথ উদ্যোগ হিচাপে নিবিদা দাখিল কৰে উদ্যোগটোৰ মুখ্য অংশীদাৰ ৰূপে। নিবিদাৰ লগতে ইএমডিৰ বাবে তিনিটা কল ডিপ'জিটও প্ৰদান কৰা হৈছিল। নিবিদাৰ মূল্যায়নত প্ৰতিবাদীক সৰ্বনিম্ন নিবিদাকাৰী বুলি ঘোষণা কৰা হয়। চুক্তি চূড়ান্ত কৰি

কৰ্ম আদেশ (ৱৰ্ক অৰ্ডাৰ) জাৰি কৰাৰ আগতেই, আবেদনকাৰী নিয়োগকৰ্তাক তথ্য প্ৰদান কৰা হৈছিল যে যুটীয়া উদ্যোগ প্ৰতিষ্ঠানটোৰ মুখ্য অংশীদাৰক মধ্য প্ৰদেশ লোক নিৰ্মাণ বিভাগে 19.06.2018 লৈকে ব্লেকলিষ্ট কৰিছে, যিটো যুটীয়া উদ্যোগ প্ৰতিষ্ঠানটোৱে ইয়াৰ নিবিদা দাখিল কৰাৰ সময়ত গোপন কৰিছিল। যুটীয়া উদ্যোগ প্ৰতিষ্ঠানটোৰ মুখ্য সদস্যক 26.12.2014 তাৰিখে এখন পত্ৰ জাৰি কৰি পূৰ্বতে উল্লেখ কৰা ব্লেকলিষ্টিং আদেশ আৰু নিবিদাৰ দফা অনুসৰি ইয়াৰ দ্বাৰা কৰা ঘোষণাৰ সন্দৰ্ভত নিজৰ স্থিতি স্পষ্ট কৰিবলৈ আহ্বান জনোৱা হৈছিল।

প্ৰতিবাদীয়ে উত্তৰত শপতনামা দাখিল কৰি এই স্থিতি গ্ৰহণ কৰে যে মধ্যপ্ৰদেশ চৰকাৰে তেওঁলোকৰ ৱেবছাইটত 20.05.2013 তাৰিখৰ আদেশ আপলোড কৰিছে, যাৰ দ্বাৰা বশিষ্ঠ কনষ্ট্ৰাকচন প্ৰাইভেট লিমিটেড, অৰ্থাৎ যুটীয়া উদ্যোগ প্ৰতিষ্ঠানটোৰ মুখ্য অংশীদাৰক ব্লেকলিষ্ট কৰা হৈছিল। প্ৰতিষ্ঠানটো অৰ্থাৎ মেছাৰ্ছ বশিষ্ঠ কনষ্ট্ৰাকচন প্ৰাইভেট লিমিটেড, 2015 চনৰ আগষ্ট মাহত ব্লেকলিষ্টিং আদেশৰ বিষয়ে অৱগত হৈছিল আৰু এই আদেশৰ প্ৰতিক্ৰিয়া স্বৰূপে তেওঁলোকে মাননীয় মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ত WP(C) 5920/2015 লেখ আবেদন দাখিল কৰে। মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ে 20.06.2016 তাৰিখৰ আদেশৰ জৰিয়তে ব্লেকলিষ্টিঙৰ নিৰ্দেশ বাতিল কৰে। প্ৰতিবাদীৰ শপতনামাত এইটোও প্ৰক্ষেপ কৰা হৈছিল যে যৌথ উদ্যোগৰ অংশীদাৰ এনে ব্লেকলিষ্টিঙৰ বিষয়ে অৱগত নাছিল।

লেখ আবেদন WP(C) 7454/2015-ত লেখ আবেদনকাৰীয়ে বহুতো ভিত্তি উত্থাপন কৰিছে, যাৰ ভিতৰত এই আবেদনত উত্থাপিত বিতৰ্কৰ সৈতে প্ৰাসংগিক ভিত্তিসমূহ সংক্ষিপ্তভাবে তলত পুনৰ দাঙি ধৰা হৈছে:

(1) নিবিদাত সংলগ্ন কৰা ঘোষণাৰ দফা (i) আৰু (j) অনুসৰি নিবিদাকাৰীয়ে ঘোষণা কৰিব লাগিছিল যে তেওঁলোকক পূৰ্বতে ব্লেকলিষ্ট কৰা হোৱা নাই,

কিন্তু এই দফাসমূহে প্ৰতিবাদীসকলক নিবিদাকাৰীক জাননী নিদিয়াকৈ আৰ্নেষ্ট মানি ডিপ'জিট (ই এম ডি) জব্দ কৰাৰ কৰ্তৃত্ব প্ৰদান কৰা নাছিল আৰু সেয়েহে প্ৰাকৃতিক ন্যায়ৰ নীতিসমূহ অনুসৰণ নকৰাৰ বাবে প্ৰস্তাৱিত জব্দ কাৰ্য্যটো ত্ৰুটিপূৰ্ণ আছিল।

(2) আবেদনকাৰী আৰু ইয়াৰ অংশীদাৰসকলে যুটীয়া উদ্যোগ প্ৰতিষ্ঠানটোৰ মুখ্য অংশীদাৰক ব্লেকলিষ্ট কৰাৰ বিষয়ে অৱগত নাছিল। এই তথ্য ব্লেকলিষ্ট কৰা মুখ্য অংশীদাৰ মেছাৰ্ছ বশিষ্ঠ কনষ্ট্ৰাকচন প্ৰাইভেট লিমিটেডৰ জ্ঞাত হোৱাৰ লগে লগে লিমিটেডৰ দ্বাৰা মধ্য প্ৰদেশ উচ্চ ন্যায়ালয়ত এখন লেখ আৱেদন দাখিল কৰা হয় আৰু মধ্য প্ৰদেশ উচ্চ ন্যায়ালয়ে 20.06.2016 তাৰিখৰ আদেশৰ দ্বাৰা ব্লেকলিষ্ট কৰাৰ আদেশ বাতিল কৰে। এইবুলি দাবী কৰা হৈছে যে মধ্য প্ৰদেশ উচ্চ ন্যায়ালয়ে ব্লেকলিষ্ট কৰাৰ আদেশ বাতিল কৰাৰ নিৰ্দেশটোৰ প্ৰভাৱ ইয়াক অভিলেখৰ পৰা মচি পেলোৱাৰ সমান আৰু সেয়েহে, নিবিদাদাতাৰ ওপৰত ইয়াৰ বিৰূপ প্ৰভাৱ পৰিছে বুলি বিবেচনা কৰিব নোৱাৰি।

অৱশ্যে, লেখ আবেদনকাৰীয়ে (ইয়াত প্ৰতিবাদী) তেওঁলোকৰ মুখ্য অংশীদাৰে ব্লেকলিষ্টিঙৰ বিষয়ে অৱগত নাছিল বুলি আগবঢ়োৱা যুক্তিয়ে বিজ্ঞ একক ন্যায়াধীশৰ পৰা অনুমোদন লাভ কৰা নাছিল। বিবাদিত আদেশৰ 11 নং অনুচ্ছেদত বিজ্ঞ একক ন্যায়াধীশে এইদৰে তেওঁৰ মত পোষণ কৰিছিল:

*" 11. আবেদনকাৰীৰ অধিবক্তাই আবেদনকাৰীয়ে নিজৰ যৌথ উদ্যোগৰ মুখ্য অংশীদাৰৰ ব্লেক-লিষ্টিঙৰ বিষয়ে অৱগত নহয় বুলি দাবী কৰা যুক্তিটো যদিওবা আকৰ্ষণীয় প্ৰতীয়মান হয়, কিন্তু ইতিপূৰ্বে ইয়াত উল্লেখ কৰা যৌথ উদ্যোগৰ*

*নিৰ্দেশনা আৰু চৰ্তাবলীৰ 15.4 অনুচ্ছেদ অনুসৰি, যৌথ উদ্যোগৰ প্ৰতিজন অংশীদাৰে ঘোষণাপত্ৰ দিয়াটো প্ৰয়োজনীয় আৰু সেয়েহে, মধ্যপ্ৰদেশ চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ চৰকাৰী ৱেবছাইটত এই তথ্য উপলব্ধ হোৱাৰ অৰ্থ হ'ল আবেদনকাৰীয়ে দাখিল কৰা ঘোষণাপত্ৰত, বিশেষকৈ ইয়াৰ দফা (i) আৰু (j)ত, আবেদনকাৰীৰ যৌথ উদ্যোগৰ সদস্যসকল ব্লেক-লিষ্টিঙৰ অন্তৰ্ভুক্ত নহয় বুলি কৰা দাবী , দায়িত্বহীন আৰু বাস্তৱিক পৰীক্ষণ বহিৰ্ভুত বুলি গণ্য কৰা উচিত। ফলত ঘোষণাটো মিছা বুলি গণ্য কৰা হয়।"*

বিজ্ঞ একক ন্যায়াধীশগৰাকীয়ে এই সিদ্ধান্তত উপনীত হয় যে নিবিদাৰ নথি-পত্ৰ, বিশেষকৈ, নিবিদাৰ চৰ্তৰ দফা (i) আৰু (j)ৰ সন্দৰ্ভত কৰা ঘোষণাই প্ৰতিষ্ঠা কৰিছিল যে আবেদনকাৰীয়ে দায়িত্বহীন, অপ্ৰমাণিত আৰু মিছা ঘোষণা কৰিছিল। পৰৱৰ্তী সময়ত মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ে 20.06.2016 তাৰিখৰ আদেশত ব্লেকলিষ্টিং আদেশ বাতিল কৰাৰ কথা লক্ষ্য কৰি ব্লেকলিষ্টিং আদেশক অস্তিত্বহীন বুলি গণ্য কৰা উচিত বুলি নিৰ্ধাৰণ কৰা হৈছে, যেন এনে আদেশ কেতিয়াও নাছিলেই। ওপৰোক্ত পৰ্যৱেক্ষণসমূহৰ সৈতে, ই.এম.ডি. জব্দ কৰাৰ প্ৰস্তাৱিত পদক্ষেপটো 20.11.2020 তাৰিখৰ আদেশৰ দ্বাৰা সলনি কৰা হৈছিল, যাক এই আন্তঃ-আদালত আবেদনত প্ৰত্যাহ্বান জনোৱা হৈছে।

বিদ্বান অধিবক্তা শ্ৰী জি গোস্বামী ডাঙৰীয়াই আবেদনকাৰীক প্ৰতিনিধিত্ব কৰি দাবী কৰে যে বিবাদিত আদেশৰ 11 নং অনুচ্ছেদত বিজ্ঞ একক ন্যায়াধীশগৰাকীয়ে লিপিবদ্ধ কৰা তথ্যসমূহৰ কেৱল মাত্ৰ পৰ্য্যবেক্ষণৰ পৰা এই কথা সকলো ধৰণৰ সন্দেহৰ বাহিৰত প্ৰতিষ্ঠিত হৈছে নিবিদাৰ নথিপত্ৰসমূহৰ দফা (i) আৰু (j)ত আবেদনকাৰীসকলে কৰা ঘোষণা যে ইয়াক কেতিয়াও ব্লেকলিষ্ট কৰা হোৱা নাছিল, সেয়া ভুৱা ঘোষণা আছিল। শ্ৰীযুত গোস্বামী ডাঙৰীয়াই যুক্তি দৰ্শায় যে এনে

সিদ্ধান্তত উপনীত হোৱাৰ পিছত, বিজ্ঞ একক বিচাৰপীঠে ইএমডি জব্দ কৰা কাৰ্য্যত হস্তক্ষেপ কৰাটো ন্যায়সঙ্গত নহয়, যিটো কাৰ্য্য নিবিদাৰ চৰ্তাৱলী উলংঘা কৰাৰ এক স্বয়ংক্ৰিয় পৰিণাম আছিল। তেওঁ দাবী কৰে যে কেৱল ব্লেকলিষ্টিং আদেশ পৰৱৰ্তী সময়ত বাতিল হোৱাৰ বাবেই সেইটোৱে কোনো কাৰণতে ভুৱা ঘোষণাৰ প্ৰভাৱ বাতিল নকৰে, কিয়নো ঘোষণাপত্ৰত উল্লেখ কৰা তথ্যবোৰ যি তাৰিখত এনে ঘোষণা কৰা হৈছিল তাৰ সন্দৰ্ভত বিবেচনা কৰিব লাগিব। যিহেতু, ভুৱা ঘোষণাটো স্বীকাৰ্য্যভাৱে 04.07.2014 তাৰিখে কৰা হৈছিল আৰু নিবিদাৰ সৈতে দাখিল কৰা হৈছিল, যি তাৰিখে ব্লেকলিষ্টিঙৰ আদেশ বলবৎ আছিল, লেখ আদালতৰ বাবে, ইএমডি জব্দ কৰাৰ কাৰ্য্য যিটো মিছা ঘোষণা কৰাৰ পৰিণাম বুলি গণ্য কৰা হৈছিল, সেই কাৰ্য্যক বাতিল কৰাৰ কোনো সুযোগ নাছিল (supra)। সেয়েহে, তেওঁ আদালতক আবেদনখন গ্ৰহণ কৰি বিবাদিত আদেশটো বাতিল কৰিবলৈ আৰু প্ৰতিবাদীয়ে নিবিদাৰ লগত জমা দিয়া ইএমডি আবেদনকাৰী নিয়োগকৰ্তাই জব্দ কৰিবলৈ গ্ৰহণ কৰা ব্যৱস্থা বাহাল ৰাখিবলৈ অনুৰোধ জনায় ।

আনহাতে, প্ৰতিবাদীক প্ৰতিনিধিত্ব কৰা বিদ্বান অধিবক্তা শ্ৰী আৰ ডুবেই দৃঢ়ভাৱে যুক্তি দিছিল যে যৌথ উদ্যোগটোৰ মুখ্য অংশীদাৰ মেছাৰ্ছ বশিষ্ঠ কনষ্ট্ৰাকচন প্ৰাইভেট লিমিটেড ব্লেকলিষ্টিঙৰ বিষয়ে অজ্ঞাত আছিল, কিয়নো মধ্যপ্ৰদেশৰ লোক নিৰ্মাণ বিভাগে তেওঁলোকক কেতিয়াও আদেশৰ প্ৰতিলিপি প্ৰদান কৰা নাছিল। সফলতাৰে দাখিল কৰা বৰ্তমানৰ সৰ্বনিম্ন নিবিদাখন যেতিয়া বাতিল কৰা হল , তেতিয়াহে ব্লেকলিষ্টিঙৰ আদেশৰ বিষয়ে জানিব পৰা গ'ল আৰু, তাৰ পিছতেই মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ত লেখ আবেদন দাখিল কৰা হয়। তেওঁ আৰু কয় যে ইএমডি জব্দ কৰাৰ বিবাদিত কাৰ্য্যটো প্ৰাকৃতিক ন্যায়ৰ নীতি অনুসৰণ নকৰাকৈয়ে কৰা কাৰ্য্য আৰু সেয়েহে এই কাৰ্য্য বাতিল যোগ্য । তদুপৰি ডুবে ডাঙৰীয়াই বিজ্ঞ একক বিচাৰপীঠৰ পৰ্যবেক্ষণৰ ওপৰত নিৰ্ভৰ কৰিছে, য'ত

কোৱা হৈছে 20.06.2016 তাৰিখৰ মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি ব্লেকলিষ্টিং আদেশক অস্তিত্বহীন বুলি গণ্য কৰা উচিত বুলি নিৰ্ধাৰণ কৰা হৈছে, যেন এনে আদেশ কেতিয়াও নাছিলেই আৰু এই মত পোষণ কৰিছে যে যিহেতু উচ্চ ন্যায়ালয় খনে লেখ আবেদনৰ ক্ষেত্ৰত থকা নিজৰ উচ্চ ক্ষমতা ব্যবহাৰ কৰি ব্লেকলিষ্টিং আদেশ বাতিল কৰিছে, গতিকে বিজ্ঞ একক ন্যায়াধীশগৰাকীয়ে সঠিকভাৱে এই সিদ্ধান্তত উপনীত হৈছে যে ব্লেকলিষ্টিংৰ আদেশটো ব্লেকলিষ্টিঙৰ তাৰিখৰ পৰাই অস্তিত্বহীন বুলি গণ্য কৰা হ'ব, আৰু ফলত এনে হ'ব যেন যৌথ উদ্যোগটোৰ গঠনকাৰীক কেতিয়াও ব্লেকলিষ্ট কৰা হোৱা নাছিল।

আমি প্ৰতিপক্ষৰ যুক্তি শুনিলো আৰু বিবাদিত আদেশ আৰু নথিভুক্ত তথ্যসমূহ পঢ়িলো ।

বিবাদিত গোচৰত প্ৰাকৃতিক ন্যায়ৰ নীতিসমূহ অনুসৰণ নকৰাৰ সন্দৰ্ভত প্ৰতিবাদকাৰীৰ অধিবক্তাই উত্থাপন কৰা যুক্তিসমূহ একেবাৰে ভিত্তিহীন, কাৰণ আবেদনকাৰীৰ স্বীকৃত গোচৰটোৱেই হৈছে যে ইএমডি জব্দ কৰাৰ প্ৰস্তাৱ দিয়াৰ আগতে নিয়োগকৰ্তাই অৰ্থাৎ ইয়াত আবেদনকাৰীয়ে যৌথ উদ্যোগ প্ৰতিষ্ঠানটোক কাৰণ ব্যাখ্যা কৰিবলৈ জাননী দিছিল। নিবিদাৰ নথিপত্ৰত ভুৱা ঘোষণা কৰাৰ প্ৰসঙ্গত নিবিদাৰ চৰ্তাৱলীত, বিশেষকৈ, ইয়াৰ দফা (j)2-ত স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে যদি কোনো ব্যক্তিগত প্ৰতিষ্ঠান বা প্ৰতিষ্ঠানটোৰ অংশীদাৰক ৰেল মন্ত্ৰালয় বা অন্য কোনো মন্ত্ৰালয়/চৰকাৰে ব্যৱসায় কৰাৰ পৰা নিষিদ্ধ কৰিছিল আৰু সেই নিষেধাজ্ঞা বৰ্তমানেও বলবৎ হৈ আছে, তেনেক্ষেত্ৰত নিৰাপত্তা জমা ধন আৰু পাৰফৰমেন্স গ্যাৰাণ্টী সম্পূৰ্ণৰূপে জব্দ কৰা হ'ব। সেয়ে, ভুল/মিছা ঘোষণা কৰাৰ স্বতঃফূৰ্ত পৰিণাম আছিল ই এম ডি জব্দ কৰা। প্ৰতিবাদীৰ হৈ বিদ্বান অধিবক্তাই কৰা আবেদন যে যৌথ প্ৰতিষ্ঠানটোৰ সদস্যসকল মুখ্য অংশীদাৰৰ ব্লেকলিষ্টিঙৰ

বিষয়ে অৱগত নাছিল যিটো নথিভুক্ত তথ্যৰ ভিত্তিত মুঠেই গ্ৰহণযোগ্য নহয়, কাৰণ ব্লেকলিষ্টিঙৰ আদেশ মধ্যপ্ৰদেশ চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ ৱেবছাইটত আপলোড কৰা হৈছিল। এই গোচৰৰ আবেদনকাৰীয়ে এই তথ্য লাভ কৰিছিল প্ৰতিবাদীৰ 26.12.2014 তাৰিখৰ পত্ৰৰ দ্বাৰা। যিহেতু ব্লেকলিষ্টিঙৰ আদেশ মধ্যপ্ৰদেশৰ লোক নিৰ্মাণ বিভাগৰ ৱেবছাইটত আপলোড কৰা হৈছিল, এনে ব্লেকলিষ্টিং আদেশ সম্পৰ্কে অজ্ঞ হৈ থকা বুলি কৰা আবেদন ভিত্তিহীন বা গুণাগুণ ৰহিত। অন্যথাও, বিজ্ঞ একক ন্যায়াধীশ গৰাকী ওপৰত উদ্ধৃত বিবাদিত আদেশৰ 11 নং অনুচ্ছেদত এই সিদ্ধান্তত উপনীত হৈছে যে প্ৰতিবাদীয়ে কৰা ঘোষণাটো মিছা আছিল। সেয়েহে, ব্লেকলিষ্টিং আদেশৰ বিষয়ে অজ্ঞ হৈ থকা বুলি কৰা আবেদন অভিলেখৰ ভিত্তিত সমৰ্থনযোগ্য নহয় ।

এইদৰে মত পোষণ কৰি , আমি লক্ষ্য কৰিবলৈ বাধ্য হৈছো যে বিবাদিত আদেশত বিজ্ঞ একক ন্যায়াধীশ গৰাকীয়ে গ্ৰহণ কৰা স্থিতি যে, যিহেতুকে মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ে ব্লেকলিষ্টিঙৰ আদেশ বাতিল কৰিছে , সেয়ে ব্লেকলিষ্টিংৰ আদেশটো আদেশ জাৰী হোৱা তাৰিখৰ পৰাই অস্তিত্বহীন বুলি গণ্য কৰা হ'ব, সেই স্থিতিত অনুমোদন জনাব নোৱাৰি। নিবিদা চৰ্তাৱলীৰ দফা (i) আৰু (j)ৰ আদেশ অনুসৰি নিবিদাকাৰীয়ে ব্লেকলিষ্ট কৰাৰ সন্দৰ্ভত ঘোষণা কৰিব লাগিব আৰু যদি বিজ্ঞ একক ন্যায়াধীশে লোৱা দৃষ্টিভংগী নিশ্চিত কৰা হয়, তেন্তে এই প্ৰয়োজনীয়তা বাতিল হ'ব। আমাৰ কোনো সন্দেহ নাই যে ঘোষণাৰ শুদ্ধতা মূল্যাঙ্কন কৰাৰ প্ৰাসঙ্গিক তাৰিখ হৈছে ঘোষণাৰ তাৰিখ, আৰু পৰৱৰ্তী কোনো ঘটনাই এই প্ৰয়োজনীয়তা সলনি নকৰে। কেৱল এইকাৰণে যে মধ্য প্ৰদেশ উচ্চ ন্যায়ালয়ে পৰৱৰ্তী সময়ত যুটীয়া উদ্যোগ প্ৰতিষ্ঠানটোৰ এজন অংশীদাৰৰ বাবে ব্লেকলিষ্টিং আদেশটো বাতিল কৰিছিল, সেই আদেশটোৱে নিবিদা নথিত স্পষ্টভাৱে কৰা মিছা

ঘোষণাৰ প্ৰভাৱক বৈধ নকৰে আৰু এনে মিছা ঘোষণা কৰাৰ পৰিণাম এতিয়াও প্ৰযোজ্য হ'ব।

উপৰোক্ত আলোচনাৰ ফলস্বৰূপে WP(C) 7454/2015-ত বিজ্ঞ একক ন্যায়াধীশে প্ৰদান কৰা 20.11.2020 তাৰিখৰ বিবাদিত আদেশ, ইয়াৰ দ্বাৰা সলনি কৰা হল । উপৰোক্ত চৰ্তাবলী অনুসৰি লেখ আবেদন গ্ৰহণ কৰা হল।

ব্যয় সন্দৰ্ভত কোনো আদেশ নাই।

**ন্যায়াধীশ** **মুখ্য ন্যায়াধীশ**

---

অনুবাদকঃ পাৰ্থ প্ৰতীম গোস্বামী

মুখ্য অনুবাদক ,অনুবাদ শাখা ,

গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বিবেচিত হব।“